# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-Aug-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
———————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথ জিলাৰ চতিয়াত পোন প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰৰ উদ্যোগত উদযাপন কৰা চতিয়া দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এখন ৰাজহুৱা উদ্যানৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চতিয়া থানাত স্বাধীনতা আন্দোলনৰ ছহিদ শ্ৰদ্ধাঞ্জলি জনাই ঐতিহাসিক স্বাধীনতা সংগ্ৰামৰ স্মৃতি সোঁৱৰণ কৰে। তাৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এখন জনসভাক সম্বোধন কৰে। এই সভাতে মুখ্যমন্ত্ৰীয়ে চতিয়াৰ স্বাধীনতা সংগ্ৰামীৰ বীৰত্বক বিষয়বস্তু হিচাপে লৈ বিধায়ক পদ্ম হাজৰিকাক এখন বোলছবি নিৰ্মাণ কৰিবলৈ আহ্বান জনায়। প্ৰয়োজন সাপেক্ষে চৰকাৰে বোলছবি নিৰ্মাণৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰিব বুলিও তেওঁ ঘোষণা কৰে।

উল্লেখযোগ্য যে ১৯৪২ চনৰ আজিৰ দিনটো চতিয়াৰ ইতিহাসত সোণালী আখৰেৰে লিখা আছে। এই দিনটোতে হাজাৰ হাজাৰ মুক্তিকামী জনতাই চতিয়া থানাত ব্ৰিটিছ ইউনিয়নৰ জেক অৱনমিত কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিছিল। এই দিনটো সুঁৱৰি চতিয়াবাসী ৰাইজে প্ৰতি বছৰে চতিয়া দিৱস হিচাপে পালন কৰি আহিছে। এইবাৰ পোন প্ৰথমবাৰৰ বাবে চৰকাৰীভাৱে চতিয়া দিৱস পালন কৰা হৈছে।

০০০০০

এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনে আজিসংসদভৱনত মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, জে পি নাড্ডা, কিৰেন ৰিজিজু আৰু এন ডি এ মিত্ৰ যুটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই মনোনয়ন পত্ৰ দাখিল পৰ্বত উপস্থিত থাকে।

ইপিনে উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনৰ বাবে বিৰোধীৰ টতঙ্ক মিত্ৰজোঁটে অন্ধ্ৰ প্ৰদেশৰ বি সুদৰ্শন ৰেড্ডীক প্ৰাৰ্থীৰূপে মনোনীত কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ নাম কালি কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই ঘোষণা কৰে। বিৰোধীৰ টতঙ্ক মিত্ৰজোঁটে বৈঠকৰ অন্তত প্ৰাক্তন ন্যায়াধীশগৰাকীক উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে বাছনি কৰে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত অনুষ্ঠিত বৈঠকৰ পাছতে টতঙ্ক মিত্ৰজোঁটৰ অন্যতম নেতা তথা অঘদ-ৰ শাৰদ পাৱাৰ গোটৰ মুৰব্বী শাৰদ পাৱাৰ আৰু মল্লিকাৰ্জুন খাৰ্গেই সংবাদমেলত বি সুদৰ্শন ৰেড্ডীৰ নাম ঘোষণা কৰে।

অহা ৯ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ২২ আগষ্টত মনোনয়ন পত্ৰ পুনৰীক্ষণ কৰা হ'ব আৰু মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ২৫ আগষ্ট ধাৰ্য কৰা হৈছে।

০০০০০

ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক-২০২৫ আজি ৰাজ্যসভাত গৃহীত হয়। ইয়াৰ লগে লগে বিধেয়কখনে সংসদৰ উভয় সদনৰ অনুমোদন লাভ কৰে। লোকসভাই কালি বিধেয়কখন গ্ৰহণ কৰিছিল।

বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয়, যে নতুন প্ৰতিষ্ঠান স্থাপন কৰিবলৈ আৰু দেশৰ সকলো প্ৰান্তৰ শিক্ষাৰ্থীক সুযোগ দিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰ বদ্ধপৰিকৰ। তেওঁ কয়,

যে ২০১৩ চনত মাত্ৰ চাৰে ৩ হাজাৰ বিদ্যাৰ্থীয়ে ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠানত অধ্যয়নৰত আছিল আৰু ২০২৪-২৫ বৰ্ষত এনে শিক্ষাৰ্থীৰ সংখ্যা ৯ হাজাৰ ৮০০লৈ বৃদ্ধি পাইছে। ইয়াৰ পূৰ্বে বিধেয়কখন উত্থাপন কৰি শ্ৰীপ্ৰধানে কয়, যে এই বিধেয়কখনৰ জৰিয়তে ২০১৭ চনৰ ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আইনখনৰ সংশোধন কৰা হ'ব। তেওঁ কয়, যে এই বিধেয়খনৰ মাধ্যমেৰে দেশৰ উত্তৰ পূৰ্বাঞ্চলৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এম স্থাপনৰ পথ প্ৰশস্ত কৰিব খোজা হৈছে। তেওঁ কয়, যে বিধেয়কখনৰ বিভিন্ন ব্যৱস্থাৰ অধীনত আই আই এম গুৱাহাটীৰ ৫৫৫ কোটি টকা লাভ কৰিব আৰু চলিত শিক্ষা বৰ্ষত প্ৰতিষ্ঠানখনত নাম ভৰ্তি আৰম্ভ হ'ব।

ooooo

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জনতা ভৱনৰ পৰা জিলা আয়ুক্ত, অতিৰিক্ত আয়ুক্ত, বিদ্যালয় পৰিদৰ্শক আৰু মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী **উল্লাস** সম্পৰ্কে আলোচনা কৰে। বৈঠকত শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰতিখন জিলাত এই আঁচনিৰ অধীনত চলি থকা কাৰ্যক্ৰমৰ পৰ্যালোচনাৰ লগতে আসন্ন পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে জিলা প্ৰশাসন আৰু অধ্যক্ষসকলক যাৱতীয় নিৰ্দেশ দিয়ে। শিক্ষা লাভৰ পৰা বঞ্চিত দেশৰ ১৫ বছৰ তাতকৈ অধিক বয়সৰ সকলো প্ৰাপ্তবয়স্ক লোকক সাক্ষৰতামূলক কাৰ্যসূচীৰে সৱল কৰি তুলি ৰাষ্ট্ৰৰ উন্নয়নত অৰিহণা যোগাবলৈ সমৰ্থ কৰি তোলাৰ উদ্দেশ্যে এই আঁচনি ৰূপায়ণ কৰা হৈছে। ইয়াৰ অধীনত লিখা পঢ়াৰ লগতে জীৱনৰ কৌশল সম্পৰ্কে শিক্ষাদানেৰে শিকনৰ প্ৰতি উৎসাহিত কৰা হয়।

ooooo

সমগ্ৰ দেশৰ লগতে কামৰূপ জিলাতো আজি বিশ্ব মহ দিৱস পালন কৰা হয়। জিলাখনৰ ১২ খন খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ অন্তৰ্গত ১২ খন বিদ্যালয়ত বাহকজনিত ৰোগৰ সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰা হয়। কামৰূপৰ ৰামপুৰ আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কমলপুৰ হবেৰকুৰা প্ৰাথমিক বিদ্যালয়তো বাহকজনিত ৰোগৰ সজাগতা সভাৰ আয়োজন কৰা হয়। গাঁওসমূহতো বিশেষ সজাগতা সভা, লিফ্‌টলেট বিতৰণ আদি সজাগতামূলক কাৰ্যসূচী হাতত লোৱা হয়।

ooooo

মঙলদৈ চহৰৰ মাজেৰে বৈ যোৱা বেগা নদী প্ৰদূষণমুক্ত কৰি তোলাৰ লক্ষ্যৰে পৌৰসভাৰ উদ্যোগত নদীখনৰ দুই কিলোমিটাৰ দৈৰ্ঘ্য সামৰি আজি আৱৰ্জনামুক্ত আৰু পুনৰুজ্জীৱিতকৰণ অভিযান আৰম্ভ হয়। পঞ্চদশ কেন্দ্ৰীয় বিত্তীয় আয়োগৰ অনুদানৰ সহায়ত এই অভিযান চলোৱা হৈছে। মঙলদৈ ষ্টেডিয়ামৰ কাষৰ পৰা এই আৱৰ্জনামুক্ত অভিযান আৰম্ভ কৰা হৈছে। মঙলদৈৰ বিধায়ক বসন্ত দাস, পৌৰসভাৰ বিষয়বৰ্গই এই অভিযানৰ তদাৰক কৰে।

ooooo

সমাপ্ত